**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 31-OCT-2025
**Time :** 1205 Hrs

***Assamese Midday Bulletin***
***Headlines***
**--------------------**

দেশৰ বিভিন্ন স্থানৰ লগতে অসমতো আজি চৰ্দাৰ বল্লভ ভাই পেটেলৰ ডেৰশ বছৰীয়া জয়ন্তী উপলক্ষে ৰাষ্ট্ৰীয় একতা দিৱসৰ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। ৰাষ্ট্ৰীয় একতা দিৱস উপলক্ষে ৰাজ্যৰ বিভিন্ন স্থানত আজি পুৱা একতাৰ বাবে দৌৰ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। তদুপৰি চৰ্দাৰ বল্লভ ভাই পেটেললৈ শ্ৰদ্ধা নিবেদন কৰি বিভিন্ন কাৰ্যসূচীৰো আয়োজন কৰা হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাষ্ট্ৰীয় একতা দিৱসত বিচক্ষণ ৰাজনীতিবিদ গৰাকীলৈ শ্ৰদ্ধা নিবেদন কৰাৰ লগতে সকলোকে ৰাষ্ট্ৰীয় সংহতি আৰু একতা অক্ষুণ্ণ ৰখাৰ বাবে নিজকে সমৰ্পণ কৰিবলৈ আহ্বান জনাইছে।

ooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি লখিমপুৰত কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। লখিমপুৰ চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰত আয়োজিত এখন জনসভাত মুখ্যমন্ত্ৰী জনসাধাৰণক উদ্দেশি ভাষণ দিয়ে। তেওঁ এই সভাতে ২৮৯ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা ২০৫ খন বিছনাযুক্ত লখিমপুৰ চিকিৎসা মহাবিদ্যালয়ৰ ছুপাৰ স্পেছিয়েলিটি হাস্পতাল আৰু নাৰ্ছিং কলেজ নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰে। ড° শৰ্মাই ইয়াৰ পূৰ্বে ৩০ খন আসনযুক্ত লখিমপুৰ কেন্সাৰ হাস্পতালৰ কেইবাটাও বিভাগ ৰাইজৰ বাবে মুকলি কৰে। ভাষণ প্ৰসঙ্গত তেওঁ কৰ্কট ৰোগৰ চিকিৎসাত চিকিৎসকসকলতকৈও নাৰ্চসকলৰ অৱদান অধিক বুলি উল্লেখ কৰে। নাৰ্চিং কলেজৰ সন্দৰ্ভত তেওঁ কয় যে এই মহাবিদ্যালয়খনত বি এছ চি নাৰ্চিঙৰ উপৰি এম এছ চি নাৰ্চিঙৰ ব্যৱস্থা কৰা হ'ব। ইয়াৰ বাবে প্ৰাৰম্ভিক প্ৰস্তুতি আৰম্ভ হৈছে বুলিও তেওঁ মন্তব্য কৰে। ৰাজ্যত অহা চাৰি-পাঁচ বছৰৰ ভিতৰত ৩০খন চিকিৎসা মহাবিদ্যালয় নিৰ্মাণ কৰা হ'ব বুলি তেওঁ জানিবলৈ দিয়ে। প্ৰতি বছৰে দুখনকৈ মেডিকেল কলেজ স্থাপন কৰা হৈছে বুলিও তেওঁ উল্লেখ কৰে। প্ৰতি বছৰে ৰাজ্য চৰকাৰে ৰাজ্যত প্ৰায় দুহেজাৰ গৰাকী নাৰ্চক নিযুক্তি দি আহিছে বুলি তেওঁ প্ৰকাশ কৰে। ছুপাৰ স্পেচিয়েলিটী হাস্পতালখনত কেইবাটাও বিভাগ স্থাপন কৰা বুলি উল্লেখ কৰি তেওঁ কয় যে ইয়াৰ বাবে প্ৰয়োজনীয় অত্যাধুনিক সা-সৰঞ্জামৰো ব্যৱস্থা কৰা হ'ব। ভাষণ প্ৰসঙ্গত ড০ শৰ্মাই ৰাজ্যখনৰ সামগ্ৰিক উন্নয়নৰ খতিয়ান দাঙি ধৰে।

oooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ডুমডুমাত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ চেক প্ৰদানৰ লগতে ১৮৩ কোটি টকা ব্যয় সাপেক্ষে বিভিন্ন প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। ডুমডুমাৰ ৰূপাই উচ্চ মাধ্যমিক বিদ্যালয় খেলপথাৰত এই উপলক্ষে আয়োজিত অনুষ্ঠানত আত্মসহায়ক গোটৰ ১৩ হাজাৰ ৮২২ গৰাকী হিতাধিকাৰীৰ মাজত উদ্যমিতা পুঁজিৰ ধন বিতৰণ কৰা হ'ব। ড০ শৰ্মাই এই অনুষ্ঠানৰ পৰাই ভাৰ্চুৱেল ব্যৱস্থাৰে ৬০ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া ডুমডুমাৰ পুৰণি এ টি ৰোডৰ সম্প্ৰসাৰণ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। তেওঁ লগতে ডুমডুমা নগৰ আৰু কাষৰীয়া অঞ্চলত দুটাকৈ

বান আৰু খহনীয়া প্ৰতিৰোধ প্ৰকল্প, প্ৰধানমন্ত্ৰী চাহ শ্ৰমিক প্ৰোৎসাহন যোজনাৰ অধীনত ২৪ টা বিদ্যালয় ভৱন নিৰ্মাণ, ডুমডুমা মহাবিদ্যালয়ৰ ষ্টেডিয়াম নিৰ্মাণ, কেইবাখনো বিদ্যালয়ৰ আন্তঃগাঁথনি উন্নয়ন প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। অনুষ্ঠানত মন্ত্ৰী ৰূপেশ গোৱালা আৰু সাংসদ প্ৰদান বৰুৱা উপস্থিত থাকিব।

০০০০০০

বহু প্ৰতীক্ষাৰ অন্তত আজি অসম সহ দেশৰ বিভিন্ন প্ৰান্তত জনতাৰ শিল্পী জুবিন গাৰ্গৰ অন্তিমখন ছবি **ৰৈ ৰৈ বিনালে** মুক্তি দিয়া হৈছে। ৰাজ্যৰ বহু ঠাইত পুৱা চাৰি বাজি ২৫ মিনিটত ছবিখনৰ প্ৰথমটো দৰ্শনী প্ৰদৰ্শন কৰা হয়। প্ৰাণৰ শিল্পীগৰাকীৰ শেষ ছবিখন উপভোগ কৰাৰ বাবে ধলপুৱাতে বিভিন্ন ঠাইৰ ছবিগৃহসমূহত ভিৰ হোৱা পৰিলক্ষিত হৈছে। পুৱাৰ ভাগত অহা বৰষুণকো নেওচি ডেকা-বুঢ়া নিৰ্বিশেষে সকলো বয়সৰ লোকে ছবিগৃহ ভিৰ কৰিছে। প্ৰতিটো ছবিগৃহতে অহা কিছুদিনলৈ সকলো দৰ্শনীৰ বাবে দৰ্শকসকলে টিকট ক্ৰয় কৰিছে। ছবিখন চাই বাহিৰলৈ ওলাই অহা দৰ্শকসকলে জুবিন গাৰ্গক আজি পুনৰ অশ্ৰুসিক্ত নয়নেৰে সুঁৱৰিছে।

০০০০০০

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে আয়োজন কৰা ষষ্ঠ  গোলাপ শইকীয়া সোঁৱৰণী বাতৰি পৰিৱেশন প্ৰতিযোগিতা ২০২৫ৰ পুৰস্কাৰসমূহ আজি প্ৰদান কৰা হ'ব। আকাশবাণী গুৱাহাটীৰ সন্মিলন কক্ষত দিনৰ ২ বজাত বঁটা বিতৰণি অনুষ্ঠানৰ আয়োজন কৰা হৈছে। প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ বিজয়ী গুৱাহাটীৰ অসম জাতীয় বিদালয়ৰ নিষ্ঠা বৰগোহাঁই, দ্বিতীয় পুৰস্কাৰ বিজয়ী গহপুৰৰ নিউ স্কলাৰ্ছ একাডেমীৰ দিব্যা আত্ৰেয়, তৃতীয় পুৰস্কাৰ বিজয়ী যোৰহাটৰ পীড়াকটাৰ মহেশ্বৰ বৰকটকী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অন্বেষা ফুকন আৰু কটন বিশ্ববিদ্যালয়ৰ ৰোহিত গাওঁখোৱাক  এই অনুষ্ঠানত বঁটা প্ৰদান কৰা হ'ব।

প্ৰতিযোগিতাত বিজয়ীসকলৰ সৈতে অন্তৰংগ আলাপেৰে কাইলৈ নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। তেওঁলোকৰ সৈতে কথা পাতিব আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে।

০০০০০০

আকাশবাণীৰ জনপ্ৰিয় উপস্থাপক, আবৃত্তিকাৰ, অভিনেতা, গীতিকাৰ, সুৰকাৰ চৈয়দ ছাদুল্লাৰ শেষকৃত্য আজি দুপৰীয়াৰ নামাজৰ পাছত নালিয়াপুল কবৰস্থানত সম্পন্ন কৰা হ'ব। শিল্পীগৰাকীৰ জানাজা ৰাজ্যিক মৰ্যাদাৰে সম্পন্ন কৰা হ'ব বুলি ৰাজ্য চৰকাৰে ঘোষণা কৰিছে। কালি নিশা শিল্পীগৰাকীৰ নশ্বৰ দেহ গুৱাহাটীৰ পৰা ডিব্ৰুগড়ৰ বাসগৃহলৈ নিয়া হয়।

যোৱা কিছুদিন ধৰি দুৰাৰোগ্য ব্যাধিত আক্ৰান্ত হোৱা চৈয়দ ছাদুল্লাক উন্নত চিকিৎসাৰ বাবে পৰহি গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰোৱা হৈছিল যদিও চিকিৎসাধীন অৱস্থাত কালি তেওঁ শেষ নিশ্বাস ত্যাগ কৰে।

০০০০০০

সমাপ্ত